**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 13-06-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::***

১। ব্ৰাটিচলাভাত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথম শ্লোভাকিয়া ভ্ৰমণত তেওঁক অনন্য আদৰণি জনোৱাৰ প্ৰস্তুতি অব্যাহত ৰাখিছে।

২। গৃহমন্ত্ৰী অমিত শ্বাহে সীমান্তৱৰ্তী জিলাসমূহৰ জনগাথনিমূলক পৰিৱৰ্তন পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে আজি এখন বিশেষ বৈঠকত অধ্যক্ষতা কৰে।

৩। চৰকাৰে লেফটেনেণ্ট জেনেৰেল ধীৰাজ শেঠক অহা ৩০ জুনৰ পৰা বলবৎ হোৱাকৈ পৰৱৰ্তী ছীফ অৰ দ্যা আৰ্মী ষ্টাফ হিচাপে নিযুক্তি দিছে।

৪। মধ্য প্ৰদেশৰ ইন্দোৰত ৫ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ব্ৰীকচ কৃষি সন্মিলনৰ আজি অন্ত পৰে। ***আৰু***

৫। তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ ধৰমশালাত অনুষ্ঠিত আজিৰ প্ৰথমখন খেলত আফগানিস্তান-ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

ব্ৰাটিচলাভাত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথম শ্লোভাকিয়া ভ্ৰমণত প্ৰধানমন্ত্ৰীগৰাকীক অনন্য আদৰণি জনোৱাৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। এই উপলক্ষে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান তথা নৃত্য-গীতৰ কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। শ্লোভাকিয়াৰ ভাৰতৰ ৰাষ্ট্ৰদূত অপূৰ্ব শ্ৰীবাস্তৱে কয় যে দেশখনত থকা ভাৰতীয় লোকসকলৰ মাজত উৎসাহ পৰিলক্ষিত হৈছে। দেশখনৰ ৰাজধানী ব্ৰাটিচলাভাৰ বিভিন্ন প্ৰান্তৰ ভাৰত আৰু শ্লোভাকিয়াৰ ৰাষ্ট্ৰীয় পতাকাৰে সজ্জিত কৰি তোলা হৈছে। বিগত ৫ বছৰত দুয়োখন দেশৰ মাজত হোৱা ভ্ৰমণ তথা বিভিন্ন বিনিময়ৰ সুবাদত এই উৎসাহ ত্বৰান্বিত হোৱা পৰিলক্ষিত হৈছে। মধ্য ইউৰোপৰ ব্ৰাটিচলাভাৰ কৌশলগত ভৌগলিক অৱস্থানৰ জৰিয়তে ভাৰতৰ সৈতে পৰ্যটন সম্পৰ্কীয় যোগাযোগ উন্নীত হ'ব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই ভ্ৰমণে দেশ দুখনৰ মাজৰ জনসাধাৰণৰ পাৰস্পৰিক মিত্ৰতা বৃদ্ধি কৰাৰ লগতে দ্বিপাক্ষিক সহযোগিতা আৰু পৰ্যটন খণ্ডৰ উন্নয়নৰ বাট মুকলি কৰিব।

ooooo

গৃহমন্ত্ৰী অমিত শ্বাহে সীমান্তৱৰ্তী জিলাসমূহৰ জনগাথনিমূলক পৰিৱৰ্তন পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে আজি এখন বিশেষ বৈঠকত অধ্যক্ষতা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আয়োগক এই সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে সীমান্তৱৰ্তী অঞ্চল, মহানগৰসমূহ তথা ঔদ্যোগিক চহৰসমূহ নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে যোৱা মাহত কেন্দ্ৰীয় চৰকাৰে জনগাথনিমূলক পৰিৱৰ্তন সম্পৰ্কীয় প্ৰত্যাহানসমূহৰ মুখামুখি হ'বলৈ কিছু পৰামৰ্শ আগবঢ়োৱাৰ

লগতে অবৈধ প্ৰব্ৰজন তথা অন্যান্য অস্বাভাৱিক দিশসমূহৰ পৰা উদ্ভৱ হোৱা জনগাথনিমূলক পৰিৱৰ্তন পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰে।

ooooo

চৰকাৰে লেফটেনেণ্ট জেনেৰেল ধীৰাজ শেঠক অহা ৩০ জুনৰ বিয়লিৰ পৰা বলবৎ হোৱাকৈ পৰৱৰ্তী ছীফ অৱ দ্যা আৰ্মী ষ্টাফ হিচাপে নিযুক্তি দিছে। উল্লেখযোগ্য যে বৰ্তমানৰ ছীফ অৱ দ্যা আৰ্মী ষ্টাফ জেনেৰেল উপেন্দ্ৰ দ্বীবেদীয়ে একেদিনাই অৱসৰ গ্ৰহণ কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰে যে ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীৰ প্ৰাক্তন শিক্ষাৰ্থী লেফটেনেণ্ট জেনেৰেল ধীৰাজ শেঠে ১৯৮৬ চনৰ ডিচেম্বৰত সেনা বাহিনীত নিযুক্তি লাভ কৰিছিল। সুদীৰ্ঘ কাৰ্যকালত শ্ৰীশেঠে অভিযান, কৌশলগত দিশ, সমৰ্থ উন্নয়ন তথা প্ৰাতিষ্ঠানিক ক্ষেত্ৰকে ধৰি বিভিন্ন ক্ষেত্ৰত ব্যাপক অভিজ্ঞতাৰে সেনা বাহিনীয়ে সমৰ সক্ৰিয়তাৰ প্ৰতি উল্লেখযোগ্যভাৱে বৰঙণি আগবঢ়াই আহিছে।

ooooo

যোৰহাটৰ ৰৰৈয়াৰ বায়ুসেনা ঘাটিত আজি পুৱা বায়ুসেনাৰ AN-32 শ্ৰেণীৰ এখন পৰিবহণ বিমান দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাটোত বায়ু সেনাবাহিনীৰ পাঁচজন জোৱান স্কোৱাড্ৰন লিডাৰ প্ৰশান্ত সিং, ফ্লাইট লেফটেনেণ্ট শুভম কুমাৰ, ছাৰ্জেণ্ট জিতেন্দ্ৰ শৰ্মা, অগ্নিবীৰবায়ু খেমাৰাম কুমাৱট আৰু অগ্নিবীৰবায়ু ডেনিছ আলমে প্ৰাণ হেৰুৱায়। বায়ুসেনাই প্ৰকাশ কৰা মতে দুৰ্ঘটনাৰ সঠিক কাৰণ নিশ্চিত কৰাৰ বাবে এখন সমিটী গঠন কৰা হৈছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে যোৰহাটত সংঘটিত এ এন -32 বিমান দুৰ্ঘটনাত ৫ গৰাকী বায়ু সেনাৰ জোৱানে প্ৰাণ হেৰুওৱা ঘটনাটোত শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীসিঙে তেওঁলোকৰ সাহস আৰু নিষ্ঠা দেশে চিৰকাল গৌৰৱ আৰু কৃতজ্ঞতাৰে সুঁৱৰিব বুলি উল্লেখ কৰে। তেওঁ ছহিদসকলৰ পৰিয়ালৰ প্ৰতি দেশবাসীৰ হৈ সহমৰ্মিতা প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি সন্ধিয়া মধ্য প্ৰদেশৰ ৰাজধানী ভূপালত বিকশিত ভাৰত সংকল্প সন্মিলনত ভাষণ দিয়াৰ কথা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দৰিদ্ৰসকলৰ কল্যান তথা সুপ্ৰশাসনৰ ২১ বছৰীয়া সেৱা পূৰ্তি উদযাপন কৰাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজনন কৰা হৈছে। তদুপৰি প্ৰতিগৰাকী নাগৰিকৰ মনত দেশক ২০৪৭ চনৰ পূৰ্বে বিকশিত দেশ হিচাপে গঢ়ি তোলাৰ সংকল্প প্ৰোথিত কৰাৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হৈছে। শ্ৰীপ্ৰধানে আজি দিনৰ ভাগত ৰাজ্যখনৰ ক্ৰীড়ামন্ত্ৰী বিশ্বাস চাৰাংগৰ সৈতে শুটিং একাডেমী পৰিদৰ্শন কৰাৰ লগতে খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰে। তেঁও কয় যে ৰাষ্ট্ৰীয়। শিক্ষানীতিৰ জৰিয়তে বৰ্তমান ক্ৰীড়া আৰু শাৰীৰিক শিক্ষা শৈক্ষিক ব্যৱস্থা অভিন্ন অংগ হিচাপে পৰিগণিত হৈছে। খেলুৱৈসকলৰ শৈক্ষিক দিশৰ তথ্য তথা ক্ৰীড়া ক্ষেত্ৰৰ সাফল্যসমূহ আপাৰ আই ডিৰ জৰিয়তে সংলগ্ন কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে প্ৰথমবাৰৰ বাবে আই আই টিৰ দৰে বিশিষ্ট শিক্ষানুষ্ঠানসমূহত ক্ৰীড়া সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে কালি নিশা ভূপাল বিমান বন্দৰত উপস্থিত হৈ শ্ৰীপ্ৰধানে সংবাদমাধ্যমৰ আহত নীট সম্পৰ্কত মন্তব্য কৰে। তেওঁ কয় যে অহা ২১ জুনত পুনৰ হ'বলগীয়া নীট পৰীক্ষা সম্পূৰ্ণ স্বচ্ছ আৰু নিকা পদ্ধতিৰে অনুষ্ঠিত হ'ব। মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক উৰাবাতৰিৰ পৰা আঁতৰত থাকি প্ৰস্তুতি অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

ooooo

মধ্য প্ৰদেশৰ ইন্দোৰত ৫ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ব্ৰীকচ কৃষি সন্মিলনৰ আজি অন্ত পৰে। সন্মিলনৰ অন্তত সৰ্বসন্মতভাৱে ইন্দোৰ ঘোষণা পত্ৰ গ্ৰহণ কৰা হয়। এই ঘোষণাপত্ৰত ডিজিটেল কৃষি, কৃষি বাণিজ্য, পৰিৱেশ অনুকুল কৃষি, কৃষক কল্যান তথা খাদ্য সুৰক্ষা সন্দৰ্ভত কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ব্ৰীকচ ৰাষ্ট্ৰসমূহে বিশ্বৰ প্ৰায় অৰ্ধসংখ্যক জনসাধাৰণক প্ৰতিনিধিত্ব কৰে বুলি উল্লেখ কৰি কৃষি মন্ত্ৰী শিৰৰাজ সিং চৌহানে কয় যে এই দেশসমূহে আন্তৰ্জাতিক কৃষিয়ে ৪২ শতাংশ পৰ্যন্ত বৰঙণি আগবঢ়াই আহিছে। ইন্দোৰ ঘোষণাপত্ৰ কেৱল এখন চুক্তিৰ নথিয়েই নহয় বুলি উল্লেখ কৰি তেওঁ কয় যে এয়া হৈছে উমৈহতীয়া সদিচ্ছা তথা ব্ৰীকচ দেশসমূহৰ উমৈহতীয়া দায়িত্বৰ প্ৰতিফলন। এই সন্মিলনত ৪ টা নতুন প্ৰাতিষ্ঠানিক পদক্ষেপৰ বিষয়ে ঘোষণা কৰা হয়। ইয়াৰে প্ৰথমটো পদক্ষেপৰ অধীনত প্ৰাকৃতিক আৰু পুনৰ নৱীকৰণযোগ্য কৃষিৰ যুটীয়া গৱেষণাৰ বাবে উৎকৰ্ষ কেন্দ্ৰৰ এটা নেটৱৰ্ক স্থাপন কৰা হ'ব। দ্বিতীয় পদক্ষেপৰ অধীনত কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিজিটেল প্ৰযুক্তিৰ সৈতে কৃষিৰ সমন্বয় সাধন কৰাৰ উদ্দেশ্যে ব্ৰীকচ ডিজিটেল কৃষি নেটৱৰ্ক স্থাপন কৰা হ'ব। তৃতীয় পদক্ষেপৰ অধীনত পৰম্পৰাগত বীজ সংৰক্ষণ কৰাৰ উপৰি কৃষকসকলৰ এই সম্পৰ্কীয় অধিকাৰ সুৰক্ষা দিয়াৰ উদ্দেশ্যে এখন গোলকীয় মঞ্চ গঠন কৰা হ'ব। আনহাতে, চতুৰ্থ পদক্ষেপৰ অধীনত ব্ৰীকচৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত জিনিয়া সম্পদ তথা কৃষিজাত নতুন ধাৰণা সমূহ বিনিময় কৰাৰ বাবে ব্ৰীকচ এগ্ৰী নেটৱৰ্ক গঠন কৰা হ'ব। চৰকাৰে কৃষকসকলৰ বাবে ২৬৬ টকাত ইউৰীয়া আৰু এহেজাৰ ৩৫০ টকা ডি এ পি যোগান অব্যাহত ৰাখিব বুলি শ্ৰীচৌহানে সদৰি কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ আটাইতকৈ দীৰ্ঘ সময় ধৰি প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈ থকাৰ অভিলেখ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত ইজৰাইলৰ বৈদেশিক মন্ত্ৰালয়ে জনোৱা শুভেচ্ছাৰ বাবে দেশৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত মন্ত্ৰালয়ে প্ৰকাশ কৰে যে ভাৰত আৰু ইজৰাইলৰ জনসাধাৰণক উমৈহতীয়াভাৱে উপকৃত কৰাৰ স্বাৰ্থত একেলগে কাম কৰি যাবলৈ দেশ প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ পূৰ্বে ইজৰাইলৰ বৈদেশিক মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দুয়োখন দেশৰ মিত্ৰতা ত্বৰান্বিত কৰি তোলাৰ আশা প্ৰকাশ কৰাৰ লগতে অবিৰত সাফল্যৰ বাবে শ্ৰীমোদীক অভিনন্দন জনায়।

০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১২ বছৰত দেশজুৰি ষ্টাৰ্ট আপ, উদ্ভাৱন, কৌশল আৰু শিক্ষাৰ এটা নতুন সংস্কৃতি গঢ়ি তুলিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে প্ৰধানমন্ত্ৰীগৰাকীয়ে গ্ৰহণ কৰা বিভিন্ন নীতিৰ জৰিয়তে দেশ বিশ্বৰ দ্বিতীয় বৃহৎ শৈক্ষিক নেটৱৰ্ক হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয় যে দেশে ইতিমধ্যে দ্বিতীয় বৃহৎ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰতিভাৰ কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰাৰ লগতে ২ লাখতকৈ অধিক ষ্টাৰ্ট আপৰ জৰিয়তে বিশ্বৰ তৃতীয় বৃহৎ ষ্টাৰ্টআপ পৰিৱেশ তন্ত্ৰ হিচাপে পৰিগণিত হৈছে।

০০০০০

অষ্ট্ৰেলিয়ান বেডমিণ্টন অপেন প্ৰতিযোগিতা ২০২৬ত ভাৰতৰ প্ৰতিদ্বন্দ্বিতাৰ অন্ত পৰিল। মহিলাৰ একক শাখাৰ ছেমি ফাইনেলত দুবাৰৰ অলিম্পিক বিজয়ী সিন্ধু, প্ৰতিযোগিতাৰ শীৰ্ষ স্থানীয় আৰু বিশ্বৰ তৃতীয় স্থানৰ খেলুৱৈ জাপানৰ আকানে য়ামাগুচিৰ বিৰুদ্ধে পোনপটীয়া গেমত পৰাজিত হয়। প্ৰতিযোগিতাৰ তৃতীয় বাচনিৰ সিন্ধুৱে প্ৰথম গেমত য়ামাগুচিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াই যদিও ২০-২২ ফলাফলত প্ৰথম গেমটো হেৰুৱায়। দ্বিতীয়

গেমত য়ামাগুচিয়ে নিজৰ আধিপত্য বিস্তাৰ কৰি খেলৰ ৪৩ মিনিটত ২১-১২ ফলফলত জয়লাভ কৰি ফাইনেললৈ অগ্ৰসৰ হয়।

ooooo

ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ ধৰমশালাত অনুষ্ঠিত আজিৰ বৰ্ষাবিঘ্নিত প্ৰথমখন খেলত আফগানিস্তানে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৪  অভাৰ ৪ টা বলত ৩ টা উইকেট হেৰুৱাই ১৩৫ ৰান সংগ্ৰহ কৰিছে। বৰষুণৰ বাবে পলমকৈ আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত খেলখন ২৫ অভাৰলৈ হ্ৰাস কৰা হয়। ইয়াৰ পূৰ্বে টছত জিকি ভাৰতে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। ভাৰতৰ হৰ্ষ ডুবে আৰু গুৰনুৰ ব্ৰাৰে প্ৰথমবাৰৰ বাবে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে।

ooooo

ঃঃ সমাপ্ত ঃঃ